# জনসংযোগ, অসম
# মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
# প্ৰেছ বাৰ্তা

নং ঃ ৮৬/২০২০

## উত্তৰ-পূব বহনক্ষম উন্নয়নৰ লক্ষ্য সন্মিলন-২০২০ত মুখ্যমন্ত্ৰীৰ অংশগ্ৰহণ
## “এই সন্মিলন গুৱাহাটীত অনুষ্ঠিত কৰাৰ জৰিয়তে অঞ্চলটোৰ উন্নয়নত এক নতুন মাত্ৰা সংযোজন হ’ল” ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ২৪ ফেব্ৰুৱাৰী ঃ** নিটি আয়োগৰ উদ্যোগত আৰু ড’নাৰ মন্ত্ৰণালয়, ইউ এন ডি পি, টাটা ট্ৰাষ্ট, আৰ আই এছ, চেম্বাৰ অব কমাৰ্চৰ সহযোগত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজত অংশীদাৰিত্ব, সহযোগিতা আৰু উন্নয়নৰ লক্ষ্যৰে আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত বহনক্ষম উন্নয়ন লক্ষ্য (এছ ডি জি) সন্মিলন-২০২০ আৰম্ভ হৈছে।

কেন্দ্ৰীয় ড’নাৰ মন্ত্ৰী, নীতি আয়োগৰ উপাধ্যক্ষ, উত্তৰ-পূৰ্বাঞ্চলৰ কেইবাগৰাকী মুখ্যমন্ত্ৰী, মন্ত্ৰীকে ধৰি কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰসমূহৰ উচ্চপদস্থ বিষয়াসকলৰ উপস্থিতিৰে আজিৰে পৰা আৰম্ভ হোৱা এই সন্মিলনৰ উদ্বোধনী অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে কয় যে বহনক্ষম উন্নয়নৰ লক্ষ্যৰে অনুষ্ঠিত এই সন্মিলন গুৱাহাটীত অনুষ্ঠিত কৰাৰ জৰিয়তে অঞ্চলটোৰ উন্নয়নত এক নতুন মাত্ৰা সংযোজন হ’ল। এনেধৰণৰ সন্মিলন অনুষ্ঠিত হ’লে উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজত সহযোগিতাৰ বান্ধোন অধিক সুদৃঢ় হোৱাৰ উপৰি বহনক্ষম উন্নয়নে বিশেষ গতি লাভ কৰিব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে ভৱিষ্যত প্ৰজন্মৰ গুণগত জীৱন নিৰ্বাহৰ মান উন্নয়ন সাধনৰ জৰিয়তে ৰাষ্ট্ৰৰ বিকাশ সুদৃঢ় কৰাৰ বাবে ভৱিষ্যত প্ৰজন্মক সংঘবদ্ধভাৱে বিকাশৰ ত্বড়িৎ গতিলৈ লৈ যাব লাগিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে স্বাধীনতাৰ ৭০ বছৰ পাছত উত্তৰ-পূৰ্বাঞ্চলৰ সম্পদ আৰু সম্ভাৱনীয়তা আৱিস্কাৰ কৰাৰ ক্ষেত্ৰত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে গুৰুত্ব আৰোপ কৰিলে। আজি দেশবাসীৰ সন্মুখত প্ৰধানমন্ত্ৰীয়ে উত্তৰ-পূৰ্বাঞ্চলৰ নতুন পৰিচয় দাঙি ধৰিলে। মুখ্যমন্ত্ৰীয়ে কয় যে ভাৰতবৰ্ষৰ ১৩০ কোটি জনগণে আজি উত্তৰ-পূৰ্বাঞ্চলক নতুন দৃষ্টিভংগীৰে চাবলৈ শিকিছে আৰু অঞ্চলটোৰ জনসাধাৰণৰ মনত সাহস আৰু শক্তি বৃদ্ধি পাইছে। মুখ্যমন্ত্ৰীয়ে কয় যে আজি উত্তৰ-পূৰ্বাঞ্চলৰ জনগণ নতুন উদ্দীপনাৰে জাগৃত হৈছে। আমিও অন্য প্ৰদেশৰ দৰে বিকাশৰ যাত্ৰাত আগুৱাই যাব পাৰো সেই কথাও জনগণৰ মনত বিশ্বাস স্থাপন হৈছে বুলি মুখ্যমন্ত্ৰীয়ে কয়।

নিটি আয়োগক ধন্যবাদ জ্ঞাপন কৰি মুখ্যমন্ত্ৰীয়ে কয় যে উদ্ভাৱনী ধাৰণাই নিশ্চয়কৈ সম্ভাৱনীয়তা আৰু বিকাশৰ দুৱাৰ মুকলি কৰিব। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ দৰ্শনক আগুৱাই নিয়াৰ বাবে নিটি আয়োগৰ পদক্ষেপসমূহেও বিশেষভাৱে সহায় কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে কয়। পৰিবহনৰ

**Website:** cm.assam.gov.in/assam.mygov.in **E-mail:** cmprcell09@gmail.com

/CMOfficeAssam / /cmofficeassam cmassam.prcell@gov.in

জৰিয়তে ৰূপান্তৰ কৰাৰ বাবে প্ৰধানমন্ত্ৰীয়ে লোৱা প্ৰয়াসৰ বাবে আজি সমগ্ৰ অঞ্চলটোৰ যাতায়াত আৰু যোগাযোগ ব্যৱস্থাৰ ব্যাপক পৰিৱৰ্তন সাধন হৈছে। মুখ্যমন্ত্ৰীয়ে কয় যে অঞ্চলটো আজি উন্নয়নৰ যাত্ৰা পথেৰে দ্ৰুতভাৱে আগুৱাই গৈছে আৰু ইয়ে নতুন প্ৰজন্মৰ মাজত এক প্ৰত্যয়ৰ ভাৱনাৰ সৃষ্টি কৰিছে। প্ৰধানমন্ত্ৰীৰ 'এক্ট ইষ্ট পলিচী'ৰ কথা উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে আজি দক্ষিণ পূৱ এছিয়াৰ দেশসমূহৰ সৈতে অঞ্চলটোৰ সম্পৰ্ক গঢ়ি উঠিছে। মুখ্যমন্ত্ৰীয়ে কয় যে এই পদক্ষেপ সমূহৰ ফলত গুৱাহাটী দক্ষিণ-পূব এছিয়াৰ দুৱাৰমুখ হিচাপে পৰিগণিত হোৱাৰ পথ প্ৰশস্ত হৈছে।

মুখ্যমন্ত্ৰীয়ে গুৱাহাটীত নিটি আয়োগৰ এটা সুকীয়া কাৰ্যালয় স্থাপনৰ পদক্ষেপ ল'বলৈও নিটি আয়োগৰ উপাধ্যক্ষ ৰাজীৱ কুমাৰক অনুৰোধ জনায়। এই সুকীয়া কাৰ্যালয় স্থাপন হ'লে উত্তৰ পূৰ্বাঞ্চলৰ বিকাশৰ লক্ষ্য পূৰণত আৰু অধিক সহায়ক হ'ব বুলি মুখ্যমন্ত্ৰীয়ে কয়। ভাষণ প্ৰসংগত মুখ্যমন্ত্ৰীয়ে অসমৰ লগতে উত্তৰ পূৰ্বাঞ্চলৰ এছপাইৰেশ্যনেল জিলা কেইখনে লাভ কৰা বিশেষ স ফলতাৰ বিষয়ে আলোকপাত কৰাৰ বাবে নীতি আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া গৰাকীক ধন্যবাদ জ্ঞাপন কৰে। মুখ্যমন্ত্ৰীয়ে এই সন্মিলনে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ 'এক ভাৰত শ্ৰেষ্ঠ ভাৰত' আৰু 'টীম ইণ্ডিয়া'ৰ ধাৰণা অধিক শক্তিশালী কৰিব বুলিও কয়।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি ড'নাৰ মন্ত্ৰী ড° জিতেন্দ্ৰ সিঙে কয় যে এসময়ত উত্তৰ-পূৰ্বাঞ্চল বুলিলে সন্ত্ৰাসবাদ, দুৰ্নীতি, অসুৰক্ষিত স্থান হিচাপে বিবেচনা কৰা হৈছিল যদিও প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে এই ধাৰণা সম্পূৰ্ণ সলনি কৰি উত্তৰ পূৰ্বাঞ্চলৰ বিকাশক এক অনন্য মাত্ৰা প্ৰদান কৰিছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে তেওঁৰ কাৰ্যকালৰ প্ৰথম ৫ বছৰৰ ভিতৰতে অতি কমেও ৩০ৰ পৰা ৩৫বাৰ উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যসমূহ ভ্ৰমণ কৰি এই অঞ্চলৰ প্ৰতি থকা তেওঁৰ আন্তৰিকতা আৰু দায়বদ্ধতাৰ কথাকে সূচাইছে বুলিও কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে কয়। মন্ত্ৰী গৰাকীয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে প্ৰতি পষেকৰ বিৰতিত এগৰাকী কেন্দ্ৰীয় মন্ত্ৰীক উত্তৰ পূৰ্বাঞ্চল ভ্ৰমণ কৰাৰ বাবে প্ৰদান কৰা নিৰ্দেশনাই অঞ্চলটোৰ বিকাশৰ গতি ত্বৰান্বিত কৰাৰ উপৰি ইয়ে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ উত্তৰ পূৰ্বাঞ্চলৰ সামগ্ৰিক বিকাশৰ বাবে থকা ঐকান্তিকতাৰ দিশটোকে সূচাইছে বুলিও কয়। ভাষণ প্ৰসংগত কেন্দ্ৰীয় মন্ত্ৰী গৰাকীয়ে উত্তৰ পূৰ্বাঞ্চলৰ ৰাজ্যকেইখনৰ বিকাশৰ দিশত ড'নাৰ মন্ত্ৰালয়ে গ্ৰহণ কৰা সক্ৰিয় পদক্ষেপ সমূহৰো আলোকপাত কৰে।

অনুষ্ঠানত বক্তব্য প্ৰদান কৰি নিটি আয়োগৰ উপাধ্যক্ষ ড° ৰাজীৱ কুমাৰে বহনক্ষম উন্নয়নৰ লক্ষ্যক ৰাজ্যসমূহৰ বিকাশৰ এক অগ্ৰাধিকাৰৰ বিষয় হিচাপে লোৱাৰ ওপৰত গুৰুত্ব আৰোপ কৰে। ভাষণ প্ৰসংগত তেওঁ ৰাজ্যসমূহৰ বিশেষ অগ্ৰাধিকাৰ সমূহ চিনাক্ত কৰি ইয়াৰ বাবে বিশেষ পদক্ষেপ গ্ৰহণৰো পোষকতা কৰে। এই পদক্ষেপে বহনক্ষম উন্নয়নৰ লক্ষ্যক স্থানীয় প্ৰয়োজনীয়তা পূৰণৰ এক আহিলা হিচাপে ব্যৱহাৰৰ পথ মুকলি কৰিব বুলিও তেওঁ কয়।

ৰাজ্যৰ বিত্ত, স্বাস্থ্য, শিক্ষা ইত্যাদি বিভাগৰ মন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আদৰণী ভাষণ প্ৰদান কৰা আজিৰ এই অনুষ্ঠানত অৰুণাচল প্ৰদেশৰ মুখ্যমন্ত্ৰী পেমা খাণ্ডু, মিজোৰামৰ মুখ্যমন্ত্ৰী জোৰাম থাংগা, ছিকিমৰ মুখ্যমন্ত্ৰী প্ৰেম সিং তামাং, ত্ৰিপুৰাৰ মুখ্যমন্ত্ৰী বিপ্লৱ কুমাৰ দেৱ, নিটি আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া অমিতাভ কান্ত, ভাৰতস্থ ইউ এন ৰেছিডেণ্ট কো-অৰ্ডিনেটৰ ৰেনেটা লোক ডিচেলিয়েনেও ভাষণ প্ৰদান কৰে। অনুষ্ঠানত মেঘালয়ৰ খাদ্য আৰু অসামৰিক যোগান মন্ত্ৰী জেমছ চাংমা, নাগালেণ্ডৰ প্লেনিং এণ্ড কো-অৰ্ডিনেশ্যন মন্ত্ৰী নেইবা ক্ৰনো, কেন্দ্ৰ আৰু ৰাজ্য চৰকাৰৰ উচ্চপদস্থ বিষয়াসকল উপস্থিত থাকে।

অনুষ্ঠানত বহনক্ষম উন্নয়নৰ লক্ষ্য বিষয়ক টাটা ট্ৰাষ্ট, আৰ আই এছ আদি সংস্থাই প্ৰস্তুত কৰা চাৰিখনকৈ প্ৰতিবেদনো উন্মোচন কৰা হয়।

**পুঃডেঃ / প্ৰঃকুঃবঃ / বঃভাঃ**
**২৪/০২/২০২০**